জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭/২০২১

# মাজুলী জিলাৰ মেধাৱী ছাত্ৰীক স্কুটী প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**মাজুলীত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ লগতে শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

## বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে যিমানবোৰ পদক্ষেপ গ্ৰহণ কৰিছে, পূৰ্বৰ কোনো চৰকাৰে তেনে শক্তিশালী পদক্ষেপ লোৱাৰ নজিৰ নাই ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত মাজুলীৰ বৰদুৱাৰত আয়োজিত এক অনুষ্ঠানত ২০২০ বৰ্ষত মাজুলীৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ১২১ গৰাকী মেধাৱী ছাত্ৰীৰ মাজত বিনামূলীয়া স্কুটী বিতৰণ কৰে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে মাজুলীৰ বৰদুৱাৰত স্থাপন কৰিবলৈ লোৱা এখন চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ প্ৰতীকী আধাৰশিলা স্থাপন কৰে। একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে জিলাখনত বিভিন্ন বিভাগে ৰূপায়ণ কৰা ১৬ খন গুৰুত্বপূৰ্ণ আঁচনিৰো শুভ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মেধাৱী ছাত্ৰীসকলক প্ৰদান কৰা স্কুটীসমূহে গাঁৱে-ভূঞে থকা ছাত্ৰ-ছাত্ৰীসকলক অধিক পৰিশ্ৰমেৰে শিক্ষাত ব্ৰতী হ'বলৈ অনুপ্ৰাণিত কৰিব। পৰৱৰ্তী পৰ্যায়ত মেধাৱী ছাত্ৰসকলৰ বাবেও এনেধৰণৰ আঁচনি প্ৰণয়ন কৰাৰ বাবে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰিছে বুলিও তেওঁ কয়। মাজুলীৰ ছাত্ৰ-ছাত্ৰীসকলক নদীদ্বীপ জিলাখনক আৰু অধিক উন্নয়নৰ দিশত ক্ষিপ্ৰতাৰে আগুৱাই লৈ যোৱাৰ দিশত অৰিহণা যোগাবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা আহৰণৰ বাবে পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলক উদ্বুদ্ধ কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস' নীতি সাৰোগত কৰি যোৱা চাৰে চাৰিটা বছৰে ৰাজ্য চৰকাৰে অসমক উন্নয়নৰ দিশত আগুৱাই লৈ যোৱাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। সকলো খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে, তেওঁলোকৰ ভাষা-সংস্কৃতি ৰক্ষা কৰিবলৈ ৰাজ্য চৰকাৰে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ প্ৰবাদ পুৰুষসকলৰ স্মৃতি যুগমীয়া কৰাৰ লগতে সেই জনগোষ্ঠীসমূহৰ বিভিন্ন উৎসৱ আৰু পৰম্পৰাগত অনুষ্ঠানসমূহ সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

উন্নয়নৰ দিশত মাজুলীক আগুৱাই লৈ যাওঁতে জিলাখনৰ প্ৰাকৃতিক পৰিৱেশ আৰু সৌন্দৰ্য যাতে বিনষ্ট নহয় তাৰ প্ৰতি সকলোৱে দৃষ্টি ৰাখিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আধ্যাত্মিকতা আৰু

কলা-সংস্কৃতিৰ কেন্দ্ৰ হিচাপে মাজুলীক বিশ্ববাসীয়ে চিনি পায়। মাজুলীৰ এই পৰিচয় অটুট ৰখাৰ বাবে জিলাখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণে অৰিহণা যোগাব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে কঠোৰ পৰিশ্ৰম কৰিলেহে পৰিৱৰ্তন সম্ভৱ। আমাৰ উঠি অহা ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আৰু দক্ষতা আহৰণৰ বাবে কঠোৰ পৰিশ্ৰম আৰু সাধনাত ব্ৰতী হ'ব লাগিব। তেওঁ লগতে কয় যে চৰকাৰে কেৱল বিদ্যালয় অথবা মহাবিদ্যালয়ৰ ভৱন নিৰ্মাণ কৰিব পাৰে, বিনামূলীয়া পাঠ্যপুথি, বিনামূলীয়া নামভৰ্ত্তিৰ ব্যৱস্থা কৰিব পাৰে, কিন্তু মানুহ গঢ়াৰ দায়িত্ব পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে গ্ৰহণ কৰিব লাগিব। খিলঞ্জীয়া লোকৰ অধিকাৰ সাব্যস্তকৰণৰ বাবে ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন ৰাজ্য চৰকাৰে যি ধৰণে কাম কৰি আহিছে তেনে দৰে পূৰ্বৰ কোনো চৰকাৰে কাম কৰাৰ নজিৰ নাছিল। এইখন অসমত কেতিয়াও ভূমিৰ জৰীপ হোৱা নাছিল। বৰ্তমানৰ ৰাজ্য চৰকাৰে অতি কম দিনৰ ভিতৰতে ভূমি জৰীপৰ কাম সম্পাদন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে ১ লাখ ১০ হাজাৰ ভূমিহীন খিলঞ্জীয়াক ভূমিৰ পট্টা প্ৰদান কৰিছে। জানুৱাৰী মাহৰ ভিতৰত আৰু ১ লাখ ভূমিহীন খিলঞ্জীয়াক মাটিৰ পট্টা প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে মাজুলীৰ উদীয়মান গায়িকা তুলিকা শইকীয়াক সম্বৰ্দ্ধনা জনোৱাৰ উপৰি গায়িকাগৰাকীৰ সংগীত চৰ্চ্চাত সহায়ক হোৱাকৈ ৫০ হাজাৰ টকাৰ আৰ্থিক অনুদানৰ এখন চেক প্ৰদান কৰে।

অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱাইও ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, আৰ্টফেডৰ অধ্যক্ষ ৰূপা কামান, মাজুলী জিলাৰ উপায়ুক্ত বিক্ৰম কৈৰী, আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে 'কিশলয়' প্ৰকল্পৰ অধীনত জিলাখনৰ ৩৯ নং কাকৰিকটা পাবনা গাঁৱত জিলা প্ৰশাসনৰ উদ্যোগত পেলনীয়া প্লাষ্টিকৰ খোৱাপানী পানীৰ বটলৰ পৰা নিৰ্মিত ইটাৰে সজা এটা অংগনৱাড়ী কেন্দ্ৰৰ ভৱনো শুভ উদ্বোধন কৰে। ইয়াৰ জৰিয়তে প্লাষ্টিকৰ আৱৰ্জনা পুনৰ ব্যৱহাৰেৰে প্ৰদূষণ ৰোধত সহায়ক হ'ব বুলি আশা কৰা গৈছে।

**স্বাঃডেঃ / ৰাঃবঃ /**
**৫/০১/২০২১**